**ভাৰতৰ দন্ত চিকিৎসা পৰিষদ আৰু অন্য ইত্যাদি**

*বনাম*

**ড° এইচ.আৰ. প্ৰেম সচদেৱ আৰু অন্যান্য ইত্যাদি**

**১৪ অক্টোবৰ, ১৯৯৯**

**[মুখ্য ন্যায়াধীশ ড° এ. এচ. আনন্দ, ন্যায়াধীশ এচ. ৰাজেন্দ্ৰ বাবু আৰু ন্যায়াধীশ আৰ. চি. লাহতী]**

দন্ত চিকিৎসক আইন, ১৯৪৮/ দন্ত চিকিৎসা পৰিষদ (নিৰ্বাচন) নিয়মাৱলী, ১৯৫২:

ধাৰা ২(জি), ৩, ৬, ৭(১)/ বিধি ২৩ – দন্ত চিকিৎসা পৰিষদ – নিৰ্বাচিত/মনোনীত সদস্যসকল – কাৰ্যকাল – ৰায় দিয়া হৈছিল যে পৰিষদলৈ নিৰ্বাচনসমূহ/মনোনয়নসমূহ সাধাৰণতে প্ৰতি পাঁচ বছৰৰ মূৰত অনুষ্ঠিত/দাখিল কৰা উচিত – যদি কিবা বৈধ কাৰণৰ বাবে পাঁচ বছৰীয়া কাৰ্যকালৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাযায়, তেন্তে সেয়া তাৰপাছত এক যুক্তিসংগত সময়ৰ ভিতৰত অনুষ্ঠিত হোৱা উচিত আৰু কাৰ্যকাল সমাপ্ত হোৱাৰ পাছত কাৰ্যনিৰ্বাহ কৰি থকাটো এক সাময়িক ব্যৱস্থাহে হোৱা উচিত যাতে পদ খালী হৈ থকাটো এৰাই চলিব পাৰি – আইনখন আৰু নিয়মাৱলীত নিৰ্বাচনসমূহ/মনোনয়নসমূহ অনুষ্ঠিত/দাখিল কৰিবলগীয়া সময়ছোৱাৰ বিষয়ে আৰু পাঁচ বছৰীয়া কাৰ্য়কালত বা তাৰ পাছতে নিৰ্বাচন অনুষ্ঠিত নকৰাৰ বা মনোনয়ন দাখিল নকৰাৰ পৰিণামৰ বিষয়ে একো উল্লেখ নাই – সংশ্লিষ্ট কৰ্তৃপক্ষই এই সম্বন্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

দেৱানী আপীলীয় অধিকাৰক্ষেত্ৰ : ১৯৯৫-ৰ দেৱানী আৱেদন সংখ্যা ১০২৩২-৩৩।

১৯৯৫-ৰ চি.ডাব্লিউ.পি. সংখ্যা ৩০২ আৰু ৩০২৩-ত দিল্লী উচ্চ ন্যায়ালয়ৰ ৩১.৮.৯৫ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

চি.এ. সংখ্যা ১০২৩২-৩৩/৯৫-ত আবেদনকাৰীসকলৰ হৈ হৰিষ এন. চালভে, এ. মাৰিয়াপুথাম, মিছ প্ৰতিভা এম. সিং, মিছ কবিতা ৱাডিয়া আৰু মনিন্দৰ সিং।

চি.এ. সংখ্যা ১০২৩৪/৯৫ আৰু চি.এ. সংখ্যা ১০২৩২-৩৩/৯৫-ৰ ৰেছ. সংখ্যা ২-ত আবেদনকাৰীৰ হৈ বিকাশ সিং, ইউনাছ মালিক, ঋতেশ সিং, ৰিচা কচ্ছৱাহা আৰু এল.আৰ. সিং।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হয় :

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই দুয়োখন আবেদন ১৯৯৫-ৰ চি.ডাব্লিউ.পি. সংখ্যা ৩০২১ আৰু ৩০২৩-ত দিল্লী উচ্চ ন্যায়ালয়ৰ ১৯৯৫-ৰ ৩১ আগষ্ট তাৰিখে প্ৰদান কৰা ৰায়দান আৰু আদেশৰ পৰা উদ্ভৱ হৈছে।

যদিও এই আবেদনসমূহ দুয়োটা পক্ষৰ অধিবক্তাই সকলো ব্যৱহাৰিক উদ্দেশ্যৰ বাবে অৰ্থহীন বুলি অভিহিত কৰিছে আৰু আমি আবেদনসমূহ দাখিল কৰাৰ বাবে গোচৰটোৰ তথ্য বিবেচনাৰ বাবে নিজকে জড়িত কৰাতো উচিত নহয়, তথাপিও এটা বিষয়বস্তু আছে যিয়ে আমাক কিছু চিন্তাত পেলাইছে।

দন্ত চিকিৎসক আইন, ১৯৪৮ (ইয়াৰ পাছত 'আইনখন' বুলি উল্লেখিত)-ৰ ধাৰা ৩ অনুসৰি কেন্দ্ৰীয় চৰকাৰে ইয়াৰ উপ-ধাৰা (এ)-ৰ পৰা (এফ)-লৈ

বিতংভাৱে উল্লেখ কৰা সদস্যৰে সংগঠিত এখন পৰিষদ গঠন কৰিব। আইনখনৰ ধাৰা ৪ অনুসৰি পৰিষদখন আইনসন্মতভাৱে সন্মিলিত মণ্ডলী হ'ব য'ত অবিৰত উত্তৰাধিকাৰ থাকিব। ধাৰা ৫-ৰ অধীনত আইনখনৰ ২ নং অধ্যায়ৰ অধীনৰ নিৰ্বাচনসমূহ বিহিত কৰা ধৰণে অনুষ্ঠিত কৰিব লাগিব, আৰু য'ত এনে নিৰ্বাচন সম্বন্ধীয় বিবাদৰ সৃষ্টি হয়, সেয়া মীমাংসাৰ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব যাৰ সিদ্ধান্ত চূড়ান্ত হ'ব। ধাৰা ২(জি)-এ "বিহিত" শব্দটো এই আইনখনৰ অধীনত সৃষ্ট নিয়মাৱলী বা বিধিৰ দ্বাৰা বিহিত বুলি বুজাইছে।

ধাৰা ৬(১) অনুসৰি -

"৬. (১) এই ধাৰাৰ বিধিসমূহ অনুসৰি এগৰাকী নিৰ্বাচিত বা মনোনীত সদস্যই তেওঁৰ নিৰ্বাচন বা মনোনয়নৰ তাৰিখৰ পৰা পাঁচ বছৰলৈ নাইবা তেওঁৰ উত্তৰাধিকাৰী নিয়মানুসৰি নিৰ্বাচিত বা মনোনীত নোহোৱালৈ যিটোৱেই দীঘলীয়া হয়, তেতিয়ালৈ কাৰ্যনিৰ্বাহ কৰি থাকিব।

(যদিহে ধাৰা ৩-ৰ দফা (ই) আৰু দফা (এফ)-ৰ অধীনত মনোনীত হোৱা সদস্য এগৰাকীয়ে তেওঁক মনোনীত কৰা কৰ্তৃপক্ষৰ ইচ্ছা অনুযায়ী কাৰ্যনিৰ্বাহ কৰি থাকে।)"

আইনখনৰ ধাৰা ৭ অনুসৰি –

"৭(১) পৰিষদৰ সভাপতি আৰু উপ-সভাপতিক তাৰ সদস্যসকলে তেওঁলোকৰ মাজৰ পৰাই নিৰ্বাচিত কৰিব:

(যদিহে পৰিষদখন প্ৰথম গঠন আৰু সভাপতি নিৰ্বাচিত নোহোৱালৈকে, কেন্দ্ৰীয় চৰকাৰে ইয়াৰ বাবে মনোনীত কৰা সদস্য এগৰাকীয়ে সভাপতিৰ কাৰ্যসমূহ নিষ্পাদন কৰে:

আকৌ যদিহে পৰিষদখনৰ প্ৰথম গঠনৰ পৰা পাঁচ বছৰৰ পাছত যদি কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে, তেন্তে সভাপতি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত এক ব্যক্তি হ'ব যিয়ে কেন্দ্ৰীয় চৰকাৰৰ ইচ্ছা অনুসাৰে কাৰ্যনিৰ্বাহ কৰি থাকিব আৰু য'ত তেওঁ ইতিমধ্যে সদস্য নহয়, তাত তেওঁ ধাৰা ৩-ত উল্লেখ কৰা সদস্যসকলৰ উপৰিও পৰিষদৰ এগৰাকী সদস্য হ'ব।

(২) এগৰাকী নিৰ্বাচিত সভাপতি বা উপ-সভাপতিয়ে পাঁচ বছৰতকৈ অধিক আৰু পৰিষদৰ সদস্য হিচাপে তেওঁৰ কাৰ্যকাল শেষ হোৱাতকৈ অধিক সময় সেইদৰে কাৰ্যনিৰ্বাহ নকৰে, কিন্তু তেওঁৰ পৰিষদৰ সদস্যপদ থকালৈকে তেওঁ পুনৰ নিৰ্বাচনৰ বাবে যোগ্য হ'ব।

দন্ত চিকিৎসা পৰিষদ (নিৰ্বাচন) নিয়মাৱলী, ১৯৫২ (ইয়াৰ পাছত 'নিয়মাৱলী' হিচাপে উল্লেখিত)-ৰ বিধি নং ২৩ অনুসৰি:

"২৩. বিশ্ববিদ্যালয়সমূহৰ প্ৰতিনিধিসমূহ – সভাপতিয়ে এটা বা ততোধিক খালী পদ ওলোৱাৰ ৬০ দিনৰ ভিতৰত প্ৰতিখন সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰ পঞ্জীয়কলৈ পঞ্জীকৃত ডাকযোগে জাননী পঠিয়াই তেওঁক জাননীত উল্লেখ কৰা তাৰিখৰ ভিতৰত এক নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুৰোধ কৰিব।"

আইনখনৰ বিভিন্ন বিধি আৰু উপৰোক্ত নিয়মাৱলীৰ এক সংযুক্ত পঠনে এয়া দেখুৱায় যে পৰিষদৰ সদস্যসকলৰ কাৰ্যকাল হৈছে নিৰ্বাচন বা মনোনয়ন, যিটোৱেই

প্ৰযোজ্য, সেই তাৰিখৰ পৰা *পাঁচ বছৰ*। কিন্তু ধাৰা ৬(১)-এ এয়াও কয় যে এগৰাকী মনোনীত বা নিৰ্বাচিত সদস্যই কাৰ্যকাল শেষ হোৱাৰ পাছত “তেওঁৰ উত্তৰাধিকাৰীয়ে নিয়মানুসৰি নিৰ্বাচিত বা মনোনীত নোহোৱালৈ যিটোৱেই দীঘলীয়া হয়”, তেতিয়ালৈ কাৰ্যনিৰ্বাহ কৰিব পাৰে। “যিটোৱেই দীঘলীয়া হয়” অভিব্যক্তিটোৱে কাৰ্যকাল শেষ হোৱাৰ পাছত কাৰ্যনিৰ্বাহ কৰি থকাটো বুজায়। কিন্তু ইয়াক এই ধৰণে ব্যাখ্যা কৰিব পাৰি নেকি যে যদি কৰ্তৃপক্ষই ধাৰা ৩-ৰ দফা (এ)-ৰ পৰা (ফ) অনুযায়ী কাৰ্য নিষ্পাদন কৰাত ব্যৰ্থ হয়, তেন্তে সংশ্লিষ্ট সদস্যই বিৰামহীনভাৱে কাৰ্যনিৰ্বাহ কৰি থাকিব পাৰিব? আমাৰ দৃষ্টিত সেয়া আইন প্ৰণয়নকাৰীৰ উদ্দেশ্য হ’ব নোৱাৰে। বিধি নং ২৩ (উপৰোক্ত)-এ আমি ওপৰত কোৱাখিনিকেই সূচায়।

আইনখনৰ বিধিসমূহ আৰু নিয়মাৱলীৰ এক যুক্তিসংগত ব্যাখ্যা হ’ব যে পৰিষদলৈ নিৰ্বাচনসমূহ/মনোনয়নসমূহ সাধাৰণতে প্ৰতি পাঁচ বছৰত অনুষ্ঠিত/দাখিল কৰা উচিত। কিন্তু যদি কোনো বৈধ কাৰণত পাঁচ বছৰৰ সময়সীমাৰ ভিতৰত নিৰ্বাচনসমূহ অনুষ্ঠিত কৰিব পৰা নাযায়, তেন্তে সেয়া তাৰ পাছত এক যুক্তিসংগত সময়ৰ ভিতৰত অনুষ্ঠিত কৰা উচিত আৰু নিৰ্বাচিত/মনোনীত সদস্যৰ কাৰ্যকাল অবিৰামভাৱে চলি থকা অনুচিত। কাৰ্যকাল শেষ হোৱাৰ পাছত কাৰ্যনিৰ্বাহ কৰি থকাটো এক সাময়িক ব্যৱস্থাহে হোৱা উচিত যাতে পদ খালী হৈ থকাটো এৰাই চলিব পাৰি। মনোনয়ন দাখিল কৰা বা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাধ্যবাধকতা হৈছে বিভিন্ন কৰ্তৃপক্ষই দফা (এ)-ৰ পৰা (ফ)-ৰ অধীনত পৰিষদলৈ সদস্য নিৰ্বাচিত/মনোনীত কৰাৰ বাধ্যবাধকতা। আইনখন আৰু নিয়মাৱলীখিনিত কোন সময়ছোৱাত নিৰ্বাচনসমূহ/মনোনয়নসমূহ অনুষ্ঠিত/দাখিল কৰা উচিত আৰু লগতে পাঁচ বছৰৰ কাৰ্যকালৰ ভিতৰত বা তাৰ পাছতে নিৰ্বাচনসমূহ অনুষ্ঠিত নকৰা বা মনোনয়ন দাখিল

নকৰাৰ পৰিণতি সম্পৰ্কে একো উল্লেখ নাই আৰু এই উল্লেখৰ অভাৱে অযথা মোকৰ্দমাৰ সৃষ্টি কৰে। আমি আশা কৰিছো যে সংশ্লিষ্ট কৰ্তৃপক্ষই আইনখন বা নিয়মাৱলীখিনিৰ বিধিসমূহ সংশোধন কৰাৰ নাইবা উপযুক্ত নিয়মাৱলী সৃষ্টি কৰাৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰে যাতে পাঁচ বছৰৰ কাৰ্যকাল সমাপ্ত হোৱাৰ পাছত নিৰ্বাচন/মনোনয়ন অনুষ্ঠিত/দাখিল কৰাৰ সৰ্বোচ্চ সময়সীমা সম্পৰ্কে অস্পষ্টতা নাইকীয়া হয়।

উপৰোক্ত পৰ্যবেক্ষণসমূহ সাপেক্ষে আবেদনসমূহ নিষ্পত্তি কৰা হ'ল। ব্যয় অবিহনে।

আৰ.পি. আবেদনসমূহ নিষ্পত্তি কৰা হ'ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)